REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 08-10-2023
Time : 17-15 Hrs.

**ASSAMESE EVENING BULLETIN**

:::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বাইহাটাৰ জাঁজীকোণা উন্নয়ন খণ্ডৰ উদ্যোগত বিভিন্ন ৱাৰ্ড আৰু পঞ্চায়তৰ পৰা মেৰি মাটি মেৰা দেশ কাৰ্যসূচীৰ অধীনত অমৃত কলহ যাত্ৰাৰ দ্বাৰা সংগৃহীত মাটিসমূহ একত্ৰ কৰি দুটি অমৃত কলহ প্ৰস্তুত কৰে। ইয়াৰে এটি দিল্লীৰ অমৃত উদ্যানলৈ আৰু আনটো গহপুৰত নিৰ্মাণ হ'বলগীয়া কনকলতা বিশ্ববিদ্যালয়ৰ নিৰ্মাণৰ বাবে প্ৰেৰণ কৰা হ'ব। আন মাটিসমূহ কমলপুৰ সমষ্টিৰ উন্নয়নমূলক কামত ব্যৱহাৰ কৰা হ'ব। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছতে মুখ্যমন্ত্ৰীগৰাকীয়ে এখন জনসভাত সম্বোধন কৰে। ইয়াৰ লগতে তেওঁ বিহদিয়া জাঁজীকোনা উন্নয়ন খণ্ডৰ কাৰ্যালয়ত এম জি এনৰেগা আঁচনিৰ অধীনত এটি বিশেষ কেন্দ্ৰৰ উদ্বোধন কৰে। অমৃত কলহ যাত্ৰাত অংশগ্ৰহণকাৰীসকলক কৃতজ্ঞতা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, আজিৰে পৰা নতুন পৰ্যায়ত দুটা কলহত মাটি সংগ্ৰহ কৰি পঞ্চায়তৰ পৰা উন্নয়ন খণ্ডলৈ আৰু উন্নয়ন খণ্ডৰ পৰা ৰাজ্যলৈ প্ৰেৰণ কৰা হ'ব। ইয়াৰ লগতে তেওঁ অসমৰ অৰুণোদয় আঁচনিৰ আৰ্হি কৰ্ণাটক আৰু মধ্যপ্ৰদেশে গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে।

এই কাৰ্যসূচীত সাংসদ দিলীপ শইকীয়া, মন্ত্ৰী পীযুষ হাজৰিকা, বিধায়ক দিগন্ত কলিতাৰ লগতে প্ৰশাসনিক বিষয়াসকল উপস্থিত থাকে।

০০০০

মেৰি মাটি, মেৰা দেশ কাৰ্যসূচীৰ অধীনত মহানগৰীৰ লতাশিল খেলপথাৰৰ পৰা গুৱাহাটী পৌৰ নিগমৰ উজান বজাৰ কাৰ্যালয়লৈ আজি এক অমৃত কলহ শোভাযাত্ৰা উলিওৱা হয়। হৰিনামৰ ধ্বনি, বিহুৰে উলিওৱা এই শোভাযাত্ৰাত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মেয়ৰ মৃগেন শৰণীয়াকে ধৰি অন্যান্য পাৰিষদ আৰু ৰাইজে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, মহানগৰৰ ৬০ টা ৱাৰ্ডৰ পৰা মাটি ভৰ্তি ৬০ টা অমৃত কলহ পুৱা লতাশিল খেলপথাৰলৈ অনা হয়। ইয়াৰ পিছতেই কলহসমূহৰ মাটি একেলগে মিহলি কৰি দুটাকৈ পিতলৰ কলহত ভৰোৱা হয়। লতাশিল খেলপথাৰৰ পৰা এই কলহ দুটাৰে শোভাযাত্ৰা কৰি পৌৰ নিগমৰ কাৰ্যালয়ত ৰখা হয়। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ো অমৃত কলহ যাত্ৰাৰ সৈতে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ দৰ্শন নিহিত হৈ আছে বুলি প্ৰকাশ কৰে। ইপিনে কামৰূপ মহানগৰ জিলাৰ ডিমৰীয়া উন্নয়ন খণ্ডৰ অধীনত গাঁও পঞ্চায়তসমূহৰ পৰা অনা মাটি অতিৰিক্ত জিলা আয়ুক্ত অজিত কুমাৰ শৰ্মাৰ উপস্থিতিত মিহলি কৰি দুটাকৈ পিতলৰ কলহত ভৰাই উন্নয়ন খণ্ড কাৰ্যালয়ত ৰখা হয়। উল্লেখযোগ্য যে, পৌৰ নিগম আৰু উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ পৰা কলহসমূহ অহা ২৫ অক্টোবৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰলৈ অনা হ'ব। ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানৰ পিছতে ২৭ অক্টোবৰত কলহসমূহ নতুন দিল্লীলৈ লৈ যোৱা হ'ব।

ইফালে, এই কাৰ্যসূচীৰ আধাৰত বৰপেটা পৌৰসভাত অমৃত কলহ যাত্ৰাৰ  পৌৰসভা আৰু খণ্ড উন্নয়ন পৰ্যায়ৰ কাৰ্যসূচী আজি অনুষ্ঠিত হয়। যোৱা ২ অক্টোবৰত ৱাৰ্ড আৰু গাঁওবোৰত ঘৰে ঘৰে সংগ্ৰহ কৰা মাটিৰ দুটাকৈ কলহ পৌৰসভা দুখনৰ কাৰ্যালয়লৈ অনা হয়। এনেদৰেই সকলো পৌৰসভা আৰু পঞ্চায়ত কাৰ্যালয়বোৰৰ পৰা লৈ অনা কলহবোৰৰ মাটি মিহলাই সেই মাটি আন দুটা কলহত ভৰোৱা হয়। এই কলহ জিলা আয়ুক্ত কাৰ্যালয়ত জমা ৰখা হয়।

আনহাতে তিনিচুকীয়া, মাজুলী, হাইলাকান্দিতো আজিৰ পৰা খণ্ড পৰ্যায়ত অমৃত কলহ যাত্ৰা অনুষ্ঠিত হৈছে।

০০০০

আজাৰা আৰক্ষীয়ে আজি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ সমীপত এটা ভাড়াঘৰত অভিযান চলাই নকল টকা প্ৰস্তুত কৰা মেচিনসহ দুজন লোকক গ্ৰেপ্তাৰ কৰিছে।   আৰক্ষীয়ে জালুকবাৰীৰ প্ৰিয়ংকা দাস আৰু চিলাপথাৰৰ দেৱজিত দাসৰ পৰা ৫৫ হাজাৰ টকাৰ জাল নোট জব্দ কৰাৰ লগতে জাল নোট সৰবৰাহত ব্যৱহাৰ হোৱা এখন বাহন জব্দ কৰিছে।

০০০০

ছিকিমৰ আকস্মিক বানত নিখোজ হোৱা বাক্সাৰ সেনা জোৱান মিতু কলিতাৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। ডাৱৰ বিস্ফোৰণ ফলত সৃষ্টি হোৱা বানৰ পাছতেই পৰিয়ালৰ সৈতে মিতু কলিতাৰ - সংযোগ বিচ্ছিন্ন হৈছিল। মিতু কলিতাৰ মৃতদেহ উদ্ধাৰৰ পিছতেই আনন্দ বজাৰৰ বাসগৃহত শোকাকুল পৰিবেশৰ সৃষ্টি হয়। উল্লেখযোগ্য যে, মিতু কলিতা আলিপুৰদুৱাৰত কৰ্মৰত আছিল। তেওঁ বিভাগীয় নিৰ্দেশ অনুসৰি ছিকিমলৈ গৈছিল, কিন্তু ছিকিমৰ আকস্মিক বানত প্ৰাণ হেৰুৱাব লগীয়া হয়। জোৱানজনৰ মৃত্যুত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গলৈ  সমবেদন জ্ঞাপন কৰিছে।

০০০০

যোৰহাটত আজি জলসিঞ্চন মন্ত্ৰী অশোক সিংহালে “জৈৱ খননৰ জৰিয়তে দীৰ্ঘ সময় ধৰি জমা হৈ থকা আৱৰ্জনাৰ পুনৰ সংস্থাপন” প্ৰকল্পৰ শুভাৰম্ভ কৰে। মন্ত্ৰী সিংহালে ভাষণ প্ৰসংগত কয় যে দীৰ্ঘ সময় ধৰি জমা হৈ থকা আৱৰ্জনা পৰিস্কাৰ কৰাটো এক প্ৰকাৰ পাহাৰ পৰিস্কাৰ কৰাৰ দৰেই। তথাপি এখন স্বচ্ছ অসম গঢ়ি তুলিবলৈ চৰকাৰ সদায়ে বদ্ধপৰিকৰ। এনে ধৰণৰ আৱৰ্জনাই ৰাইজৰ স্বাস্থ্য তথা পৰিবেশৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, জৈৱ খননৰ বৈজ্ঞানিক প্ৰক্ৰিয়াই আৱৰ্জনাসমূহৰ খনন, জৈৱ সংশোধন, পৃথকীকৰণ আৰু নিৰাপদ তথা বহনক্ষম নিষ্কাষণ সুনিশ্চিত কৰে। আজিৰ এই অনুষ্ঠানত সাংসদ কামাখ্যা প্ৰসাদ তাছা, তপন কুমাৰ গগৈ, বিধায়ক ৰূপজ্যোতি কুৰ্মী আৰু হিতেন্দ্ৰ নাথ গোস্বামী উপস্থিত থাকে।

০০০০

সমাপ্ত